জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২০৪/২০২১

# অসম-মেঘালয়ৰ সীমা সমস্যা সমাধানৰ বাবে গুৱাহাটীত মুখ্যমন্ত্ৰীৰ পৰ্যায়ৰ দ্বিতীয়খন বৈঠক

## সীমা সমস্যাৰ সময়সাপেক্ষ সমাধানৰ বাবে তিনিখনকৈ আঞ্চলিক সমিতি গঠনৰ সিদ্ধান্ত

## আঞ্চলিক সমিতিসমূহে বিবাদিত স্থানসমূহ যুটীয়াভাৱে পৰিদৰ্শন কৰি ৩০ দিনৰ ভিতৰত প্ৰস্তুত কৰিব প্ৰতিবেদন

**দিছপুৰ, ০৬ আগষ্ট ঃ** অসম আৰু মেঘালয়ৰ মাজৰ সীমা সমস্যা সমাধানৰ বাবে মুখ্যমন্ত্ৰীৰ পৰ্যায়ৰ দ্বিতীয়খন বৈঠক আজি গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত হয়। এই বৈঠকত ৰাজ্য দুখনৰ সীমা সমস্যাৰ স্থায়ী সমাধানৰ উপায় উদ্ভাৱন তথা যুটীয়া নিৰীক্ষণৰ বাবে তিনিখন আঞ্চলিক সমিতি গঠনৰ বাবে দুয়োখন ৰাজ্যই সিদ্ধান্ত গ্ৰহণ কৰে।

উল্লেখ্য যে যোৱা ২৩ জুলাই তাৰিখে শ্বিলঙত অনুষ্ঠিত প্ৰথমখন বৈঠকৰ পিছত আজি অনুষ্ঠিত এই বৈঠকত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ লগতে দুয়োখন ৰাজ্যৰ মন্ত্ৰী পৰিষদৰ সদস্য তথা শীৰ্ষ আমোলাসকলে অংশগ্ৰহণ কৰে। বৈঠকত দুয়োখন ৰাজ্যৰ তিনিগৰাকীকৈ কেবিনেট মন্ত্ৰীৰ অধ্যক্ষতাত তিনিখন আঞ্চলিক সমিতি গঠনৰ সিদ্ধান্ত লোৱা হয়। এই সমিতিসমূহে বিবাদিত অঞ্চলসমূহ যুটীয়াভাৱে নিৰীক্ষণ কৰিব।

উল্লেখযোগ্য যে দুয়োখন ৰাজ্যৰ মাজত সীমা নিৰ্দ্ধাৰণক লৈ মতানৈক্য থকা ১২ টা স্থানৰ ভিতৰত প্ৰথম পৰ্যায়ত ৬ টা স্থানৰ বিবাদ মীমাংসা কৰাৰ সিদ্ধান্ত লোৱা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ তৎপৰতাত ৰাজ্য দুখনৰ মাজৰ দীৰ্ঘদিনীয়া বন্ধুত্বৰ ভিত্তিত এনে সীমা বিবাদসমূহ সমাধানৰ বাবে পৰ্যায়ক্ৰমে পদক্ষেপ গ্ৰহণ কৰিববলৈও বৈঠকে সিদ্ধান্ত গ্ৰহণ কৰে। সীমাক লৈ মতানৈক্য থকা ৬ টা স্থানক ৩ টা অঞ্চলত বিভক্ত কৰা হৈছে। গঠন কৰিবলগীয়া আঞ্চলিক সমিতিসমূহে এই ৬ টা স্থান ক্ৰমে তাৰাবাৰী, গিজাং, বাখালাপাৰা, পিলিংকাটা, ৰাতাচেৰা আৰু হাহিম যুটীয়াভাৱে পৰিদৰ্শন কৰিব। এই সমিতিকেইখনক নেতৃত্ব দিবলগীয়া অসমৰ কেবিনেট মন্ত্ৰীসকল হৈছে জনসংযোগ মন্ত্ৰী পীযুষ হাজৰিকা, কৃষি মন্ত্ৰী অতুল বৰা আৰু পৰিবহন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী। কেবিনেট মন্ত্ৰীসকলৰ উপৰি এই সমিতিত বিধায়ক, আমোলা আৰু ৰাইজৰ প্ৰতিনিধিসকলো থাকিব। এই সমিতিসমূহে বিবাদিত স্থানসমূহ যুটীয়াভাৱে ভ্ৰমণ কৰি সংশ্লিষ্ট সকলো পক্ষ আৰু গাঁওবুঢ়াসকলৰ সৈতে মত-বিনিময় কৰিব আৰু ৩০ দিনৰ ভিতৰত নিজৰ পৰামৰ্শাৱলীসহ প্ৰতিবেদন প্ৰস্তুত কৰিব। 'টাৰ্ম অৱ ৰেফাৰেঞ্চ' হিচাপে এই সমিতিসমূহে নিজৰ প্ৰতিবেদন প্ৰস্তুতৰ ক্ষেত্ৰত বিবাদিত স্থানসমূহৰ ঐতিহাসিক প্ৰেক্ষাপট, নৃগোষ্ঠীয় বসতি, স্থানীয় জনসাধাৰণৰ ধাৰণা, প্ৰশাসনিক সূচলতা

আৰু সমীপৱৰ্তিতা আদি বিভিন্ন দিশ পৰ্যালোচনা কৰিব।

বৈঠকৰ অন্তত এক যুটীয়া সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই অসম আৰু মেঘালয়ৰ মাজৰ সীমা সমস্যাক লৈ হোৱা আলোচনাক অত্যন্ত ফলপ্ৰসূ বুলি অভিহিত কৰে, কিয়নো দুয়োখন ৰাজ্যই আকোৰগোজ মনোভাৱ এৰি পৰস্পৰৰ প্ৰতি সন্মান প্ৰদৰ্শনেৰে নিজৰ সীমা সমস্যাৰ সময়সাপেক্ষ সমাধানৰ বাবে আগবাঢ়ি আহিছে। এই প্ৰসংগত তেওঁ আজিৰ বৈঠকৰ ফলস্বৰূপে বিবাদমান ১২ টা স্থানৰ ভিতৰত প্ৰথম পৰ্যায়ত ৬ টা স্থানৰ বিবাদ মীমাংসৰ উদ্যোগ গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰে। তেওঁ লগতে কয় যে অসম আৰু মেঘালয় দুয়োখন ৰাজ্য দীৰ্ঘদিনীয়া ঐতিহাসিক বান্ধোনেৰে বান্ধ খাই আছে। এই বন্ধুত্বক অধিক শক্তিশালী কৰাৰ বাবে এক উমৈহতীয়া কৰ্মসূচী গ্ৰহণ কৰিব পাৰিলে দুয়োখন ৰাজ্যই দেশৰ বিকাশত উল্লেখযোগ্য অৰিহণা যোগাবলৈ সক্ষম হ'ব বুলিও তেওঁ আশা ব্যক্ত কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে মত-পাৰ্থক্য থাকিলেও দুয়োখন ৰাজ্যই সৌহাৰ্দ্যপূৰ্ণ আলাপ-আলোচনাৰ জৰিয়তে এই পাৰ্থক্য হ্ৰাস কৰাৰ বাবে কাম কৰিব লাগিব। সীমা সমস্যাৰ বাস্তৱমুখী সমাধানৰ বাবে আকোৰগোজ মনোভাৱ এৰি নতুন কৰ্মপন্থা হাতত লোৱাৰ ক্ষেত্ৰতো তেওঁ গুৰুত্ব আৰোপ কৰে।

সংবাদ মেলত নিজৰ মত ব্যক্ত কৰি মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই কয় যে মেঘালয়ে অসমৰ সৈতে সীমা সমস্যাৰ স্থায়ী সমাধান বিচাৰে আৰু এই দিশত ৰাজ্যখনৰ মনোভাৱ যথেষ্ট ইতিবাচক। দুয়োখন ৰাজ্যই পাৰস্পৰিক সন্মান প্ৰদৰ্শনেৰে সীমা সমস্যাৰ সমাধানৰ বাবে মুকলি মনেৰে আলোচনাৰ বাবে আগবাঢ়ি অহাটো সময়ৰ দাবী বুলি তেওঁ মন্তব্য কৰে। আজিৰ বৈঠকৰ আলোচনাক অত্যন্ত গঠনমূলক বুলি অভিহিত কৰি তেওঁ কয় যে দুয়োখন ৰাজ্যৰ পাৰস্পৰিক প্ৰগতিৰ বাবে এই সমস্যা বহু পূৰ্বেই সমাধান হ'ব লাগিছিল। সম্প্ৰতি দুয়োখন চৰকাৰৰ বলিষ্ঠ ৰাজনৈতিক সদিচ্ছাৰ বাবে বৰ্তমান সেই পথ প্ৰশস্ত হৈছে বুলি তেওঁ উল্লেখ কৰে।

ৰাজ্য চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱাই আদৰণী ভাষণ প্ৰদান কৰা এই বৈঠকত ৰাজ্য চৰকাৰৰ সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ প্ৰধান সচিব জি ডি ত্ৰিপাঠীয়ে অসমৰ বিষয়সমূহ সমৰি এক পাৱাৰপইন্ট প্ৰেজেন্টেশ্যনো আগবঢ়োৱা হয়। এই বৈঠকত দুয়োখন ৰাজ্যৰ বহুকেইবাগৰাকী কেবিনেট মন্ত্ৰী, দুয়োখন ৰাজ্যৰ মুখ্য সচিবৰ লগতে অন্যান্য জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰে।

**সুঃদঃ / বঃভাঃ / নিঃকুঃদাঃ / প্ৰঃকুঃবঃ**
**০৬/০৮/২০২১**